# সংমিশ্ৰিত মীন পালন

অসম কৃষি সামৰ্থ্যবৰ্দ্ধন প্ৰকল্পৰ সৌজন্যত

মীন সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰকাশিত ও প্ৰচাৰিত,

চন ২০০৮

## এবাৰ পোনা মেলা আৰু এবাৰ মাছ ধৰা পদ্ধতি (চিংগল ষ্টকিং আৰু চিংগল হাৰ্ভেষ্টিং পদ্ধতি)

### থোৰতে আঁচনিখন :

অসম কৃষি প্ৰতিযোগিতামূলক আঁচনিৰ জৰিয়তে ব্যক্তিগত মীন পালকৰ পুখুৰী আৰু ৰাজহুৱা পুখুৰী উন্নয়নৰ কাম হাতত লোৱা হৈছে। এই আঁচনিৰ যোগেদি উন্নয়ন কৰিবলৈ বিচৰা ব্যক্তিগত পুখুৰীৰ আয়তন ০.০৩ - ০.৪০ হেক্টৰ আৰু ৰাজহুৱা পুখুৰীৰ আয়তন ০.৩০ - ৩.০ হেক্টৰ হোৱাটো বাঞ্চনীয়। ব্যক্তিগত পুখুৰীৰ ক্ষোত্ৰত মালিকীস্বত্ব উপভোক্তাৰ নিজা হব লাগিব। হিতাধিকাৰী ভূমিহীন, ক্ষুদ্ৰ আৰু উপান্তৰ মীন পালক হব লাগিব। মহিলাক অগ্ৰাধিকাৰ দিয়া হব আৰু মুঠ বিনিয়োগৰ ৩০% পুঁজি মীন পালকে নিজাকৈ ব্যয় কৰাৰ বাবে সন্মত হব লাগিব। হিতাধিকাৰী নিৰ্বাচিত হোৱাৰ ক্ষেত্ৰত স্থানীয় পৰিসীমা (Cluster) ৰ ভিতৰত স্থান বাছনিৰ নিয়মাৱলী প্ৰযোজ্য হব। হিতাধিকাৰীয়ে নিজাকৈ বিনিয়োগ কৰিব লাগিব মুঠ বিনিয়োগৰ ৫০% পুঁজি পুখুৰী উন্নয়নৰ খৰছৰ বাবদ আৰু ১০% পুঁজি মীন পালনৰ খৰছৰ বাবে ব্যয় কৰিব লাগিব। ৰাজহুৱা পুখুৰীৰ ক্ষেত্ৰত পুখুৰীটো স্থানীয় পৰিসীমাৰ ভিতৰত অথবা স্থানীয় পৰিসীমাৰ নিচেই কাষতে থকা হব লাগে। ৰাজহুৱা পুখুৰীটোৰ মালিকী স্বত্বৰ বাবদ কেচ-মোকৰ্দমা অথবা কাজিয়া পেচাল থাকিব নালাগিব। পুখুৰীটো পৰিচালনা কৰা গোটৰ ৭৫% পৰিয়ালৰ প্ৰাথমিক আয় কৃষি হ'লে স্থান নিৰ্বাচনত অগ্ৰাধিকাৰ পাব। পিচলৈ ৩০% লাভ গোটৰ মাজত ভগাই লব লাগিব আৰু বাকী ৭০% লাভ সামূহিক উন্নয়নৰ অৰ্থে ব্যয় কৰিব পাৰিব। সমপদহীন দৰিদ্ৰ কৃষক আৰু মৎস্যজীৱি লোকৰ গোটে পৰিচালনা কৰা পুখুৰী নিৰ্বাচনত অগ্ৰাধিকাৰ পাব। ধৰ্মীয় অনুষ্ঠান আৰু শিক্ষানুষ্ঠানৰ পুখুৰী উন্নয়নৰ আঁচনিত সামৰি লোৱা নহয়। ব্যক্তিগত পুখুৰীত নিৰ্বাচিত হিতাধিকাৰীয়ে আৰু ৰাজহুৱা পুখুৰীৰ অধীনৰ সদস্য সকলে একোটা গোট গঠন কৰি ওচৰৰ বেঙ্কৰ শাখাত একোটাকৈ একাউণ্ট খুলিব লাগিব। গোটটোৰ সদস্য সকলে সৰ্বসন্মতিক্ৰমে ধাৰ্য্য কৰা মাহিলী বৰঙণি দিব লাগিব আৰু সঞ্চালন খৰচ ১০% বেংকৰ একাউণ্টত জমা দিলে এই খৰছৰ বাবদ ধন, জিলা মীন বিষয়াই মোকলাই দিব।

### প্ৰযুক্তি :

এবাৰ পোনা মেলা আৰু এবাৰ মাছ ধৰা পদ্ধতি অনুসৰি বছৰি এবাৰ পোনা মেলা হয় আৰু দহ মাহ মাছ পালনৰ শেষত মাছ ধৰা হয়। এই আঁচনিৰ মতে এপ্ৰিল-মে মাহৰ ভিতৰত পুখুৰীত মাছ পোনা মেলিব লাগে আৰু ফেব্ৰুৱাৰী-মাৰ্চ মাহৰ ভিতৰত মাছ ধৰি বিক্ৰী কৰিব লাগে (যেতিয়া মাছৰ গড় ওজন ৮৫০ গ্ৰাম হয়)। মীন পালক জনৰ পুখুৰীটোত যদিহে পতিত হৈ আছে তেনেহ'লে নিজে অথবা বনুৱাৰ সহায়ত (Manual) অলাগতিয়াল অপতৃণ যেনে মেটেকা, বৰপুণী আদি উঠাই পেলাব লাগে। পুখুৰীৰ পানী  সমপূৰ্ণৰূপে সিঁচি পেলোৱাটো বাধ্যতামূলক। পানী সিঁচি পুখুৰীৰ তলিৰ গেদ অপসাৰণ কৰি পুখুৰীটোৰ তলিখন জানুৱাৰী/ফেব্ৰুৱাৰীৰ শেষত ৰ'দত শুকুৱাই লব লাগে। পুখুৰীৰ তলিখন শুকুৱাই লোৱাৰ পিছত প্ৰতি হেক্টৰ পানী কালি ভিত্তিত তলত দিয়া তালিকা অনুসাৰে সাৰ আদি প্ৰয়োগ কৰিব লাগে। ইয়াৰোপৰি মাহিলী কিস্তিত চূণ প্ৰয়োগ কৰাটো বাধ্যতামূলক। তলত মাটিৰ PH ৰ পৰিমাণ উল্লেখ কৰা হ'ল :-

**তালিকা : ১**

**মাটি PH ৰ ওপৰত চূণৰ পৰিমাণ**

| মত্স্যপালন মণ্ডল | প্ৰতি হেক্টৰ পানীকালিত (কিঃগ্ৰাঃ/হেক্টৰ) | |
|---|---|---|
| | প্ৰথম বাৰত দিবলগীয়া চূণৰ পৰিমাণ | মাহিলী চূণৰ পৰিমাণ |
| মণ্ডল : ১ | ২৫০ | ৮৫ |
| মণ্ডল : ২ | ২৫০ | ৮৫ |
| মণ্ডল : ৩ | ২০০ | ৮৫ |
| মণ্ডল : ৪ | ১৫০ | ৫০ |
| মণ্ডল : ৫ | ২৫০ | ৮৫ |

**তালিকা : ২**

**জৈৱিক সাৰ প্ৰয়োগ হিচাপ : গৰুৰ গোবৰ (কেঁচা)**

| মত্স্যপালন মণ্ডল | প্ৰতি হেক্টৰ পানীকালিত (কিঃগ্ৰাঃ/হেক্টৰ) | |
|---|---|---|
| | প্ৰথম বাৰত দিবলগীয়া গৰুৰ গোবৰ পৰিমাণ | দৈনিক গৰুৰ গোবৰৰ পৰিমাণ |
| মণ্ডল : ১ | ৩৭৫০ | ৪৫ |
| মণ্ডল : ২ | ৩৭৫০ | ৪৫ |
| মণ্ডল : ৩ | ৩৭৫০ | ৪৫ |
| মণ্ডল : ৪ | ৩৭৫০ | ৪৫ |
| মণ্ডল : ৫ | ৩৭৫০ | ৪৫ |

**তালিকা : ৩**

**অজৈৱিক সাৰ প্ৰয়োগৰ তালিকা**

| মত্স্যপালন মণ্ডল | মাহিলী প্ৰয়োগৰ পৰিমাণ (কিঃগ্ৰাঃ/হেক্টৰ) | |
|---|---|---|
| | ইউৰীয়া | চিংগল চুপাৰ ফচফেট |
| মণ্ডল : ১ | ২৪ | ৩০ |
| মণ্ডল : ২ | ১৮ | ৩০ |
| মণ্ডল : ৩ | ১৮ | ৩০ |
| মণ্ডল : ৪ | ১৮ | ৩০ |
| মণ্ডল : ৫ | ১৮ | ২৪ |

**পুখুৰীত সাৰ কেনেকৈ প্ৰয়োগ কৰিব ?**

পুখুৰী প্ৰস্তুতিৰ সময়ত প্ৰতি হেক্টৰত ৩৭৫০ কিঃগ্ৰাঃ কেঁচা গোবৰ প্ৰয়োগ কৰাৰ উপৰি ২৭০ দিন ধৰি প্ৰতিদিনে প্ৰতি হেক্টৰ পানীকালিত ৪৫ কিঃগ্ৰাঃ কৈ কেঁচা গোবৰ প্ৰয়োগ কৰিব লাগে। পুখুৰী প্ৰস্তুতিৰ সময়ত কেঁচা গোবৰ প্ৰয়োগ কৰিলে পোনা মেলা মাহত গোবৰ প্ৰয়োগ কৰিব নালাগে। নাইট্ৰ'জেন আৰু ফছফৰাছ সাৰ সমানে দহটা ভাগ কৰি ৩০-৪০ ছেঃ মিঃ গভীৰতাত পানীত এখন প্লেটফৰ্ম সাজি তাত

প্ৰয়োগ কৰিব লাগে। যিহেতু পানীৰ পি এইচ ৬.৫-৭.৫ থাকিলে ফচফেটৰ পৰিমাণ অধিক থাকে সেইহেতু চূণ প্ৰয়োগৰ এসপ্তাহ পাছত পুখুৰীত ফছফৰাছ যুক্ত সাৰ প্ৰয়োগ নিতান্তই প্ৰয়োজনীয়।

এবাৰ পোনা মেলা আৰু এবাৰ মাছ ধৰা পদ্ধতিত অন্ততঃ ৫-৬ ইঞ্চি জোখৰ ২৫ গ্ৰাম ওজনৰ ৬০০০ (ফিংগাৰলিং) মাছপোনা প্ৰতি হেক্টৰ পানীকালিৰ পুখুৰীত মেলা হয়। তলত ছয় প্ৰজাতিৰ মাছৰ শতকৰা হাৰ আৰু প্ৰতি হেক্টৰত মেলিব লগা মাছ পোনাৰ নিৰিখ দিয়া হ'ল-

**তালিকা : ৪ (ক) স াব্য (১)**

**এবাৰ পোনামেলা আৰু এবাৰ মাছ ধৰা পদ্ধতিত মাছ পোনাৰ সংখ্যা :-**

| ক্ৰমিক নং | প্ৰজাতি | শতকৰা হাৰ (%) | প্ৰতি হেক্টৰত সংখ্যা |
|---|---|---|---|
| ১ | চিলভাৰকাৰ্প | ১৫ | ৯০০ |
| ২ | বাহু বা ভকুৱা | ২৫ | ১৫০০ |
| ৩ | ৰৌ | ২০ | ১২০০ |
| ৪ | গ্ৰাছকাৰ্প | ১০ | ৬০০ |
| ৫ | মিৰিকা | ২০ | ১২০০ |
| ৬ | কমন কাৰ্প/কলীয়াজাৰ/কুঢ়ি | ১০ | ৬০০ |
| | **মুঠ** | **১০০** | **৬০০০** |

**তালিকা : ৪ (খ) স াব্য (২)**

**এবাৰ পোনামেলা আৰু বহুবাৰ মাছ ধৰা পদ্ধতিত মাছ পোনাৰ সংখ্যা :-**

| ক্ৰমিক নং | প্ৰজাতি | শতকৰা হাৰ (%) | প্ৰতি হেক্টৰত সংখ্যা |
|---|---|---|---|
| ১ | চিলভাৰকাৰ্প | ১৫ | ৯০০ |
| ২ | বাহু বা ভকুৱা | ২০ | ১২০০ |
| ৩ | ৰৌ | ২০ | ১২০০ |
| ৪ | গ্ৰাছকাৰ্প | ১০ | ৬০০ |
| ৫ | মিৰিকা | ২০ | ১২০০ |
| ৬ | কমন কাৰ্প/কলীয়াজাৰ/কুঢ়ি | ১৫ | ৯০০ |
| | **মুঠ** | **১০০** | **৬০০০** |

পুখুৰীৰ মাছ পোনা মেলাৰ পিছৰে পৰা নিৰ্দ্দিষ্ট হাৰত মাছৰ বৃদ্ধিৰ বাবে পৰিপূৰক খাদ্যৰ যোগান ধৰিব লাগে। চাউলৰ মল আৰু সৰিয়হৰ কলিহৈ (৬০-৪০) হাৰত মিহলাই ৩০-৪৫ ছেঃমিঃ গভীৰতাত ট্ৰে সজাই মাছক খাদ্য দিব লাগে। সৰিয়হৰ খলিহৈ আগদিনা ৰাতি তিয়াই থৈ কোমল হ'লে চাউলৰ মলৰ লগত মিহলাই লাডু সাজিব লাগে। প্ৰতি কেঃজিঃ খাদ্য প্ৰস্তুত কৰোতে ১০০ মিঃ লিঃ পানী মিশ্ৰণটোত প্ৰয়োগ কৰিব লাগে। তলত পৰিপূৰক খাদ্যৰ মাহিলী তালিকা দিয়া হ'লঃ-

**তালিকা : ৫**

**পৰিপূৰক খাদ্য প্ৰদানৰ তালিকা এবাৰ পোনামেলা আৰু এবাৰ মাছ ধৰা পদ্ধতি**

| মাহ | পোনাৰ সংখ্যা | দৈহিক হাৰ শতকৰা হাৰত | খাদ্যৰ পৰিমাণ (কিঃগ্ৰাঃ/হেক্টৰ/দিন) | প্ৰতি মাহত খাদ্য (কিঃগ্ৰাঃ/হেঃ/মাহ) |
|---|---|---|---|---|
| ১ | ৬০০ | ২.৫ | ৪.০০ | ১২০ |
| ২ | ৫৪০০ | ২.০ | ৫.৫০ | ১৬৫ |
| ৩ | ৫৪০০ | ১.৫ | ৮.০০ | ২৪০ |
| ৪ | ৫৪০০ | ১.৫ | ১৫.০০ | ৪৫০ |
| ৫ | ৫৪০০ | ১.৫ | ২৪.০০ | ৭২০ |
| ৬ | ৫৪০০ | ১.০ | ২৬.০০ | ৭৮০ |
| ৭ | ৫৪০০ | ১.০ | ৩০.০০ | ৯০০ |
| ৮ | ৫৪০০ | ১.০ | ১৮.০০ | ৫৪০ |
| ৯ | ৫৪০০ | ১.০ | ১৮.০০ | ৫৪০ |
| ১০ | ৫৪০০ | ১.০ | ১৮.১৬ | ৫৪৫ |
| | | | **মুঠ** | **৫০০০** |

গ্ৰাছ কাৰ্পৰ পোনা অৱস্থাত নেপিয়াৰ, পৰা আদি ঘাঁহ মিহিকৈ কুটি প্ৰতি কিঃগ্ৰাঃ মাছৰ ওজনৰ বাবে ২০ কিঃ গ্ৰাঃ হিচাবত খাদ্য প্ৰয়োগ কৰিব লাগে। মাছৰ বাবে যোগান ধৰা পৰিপূৰক খাদ্য সাধাণ ভাৱে সিজাই দিব পাৰিলে সুফল পোৱা যায়। অক্টোৱৰ-নৱেম্বৰ মাহত প্ৰতিষেধক হিচাবে মাছৰ ই.ইউ. এছ (EUS) বেমাৰৰ বাবে CIFAX প্ৰতি হেক্টৰ মিটাৰ পানীকালিৰ বাবে এক লিটাৰ হিচাবত প্ৰয়োগ কৰিব লাগে।

পোনা মেলাৰ দহ মাহৰ পিছত ছয় প্ৰজাতিৰ মাছৰ দেহৰ গড় ওজন ৮৫০ গ্ৰাম হ'লে বজাৰৰ দৰ চাই মাছ ধৰিব লাগে।

উৎপাদনৰ লক্ষ্য = ৪৫০০ কিঃগ্ৰাঃ/হেক্টৰ

বিক্ৰিমূল্য (প্ৰতি কিঃগ্ৰাঃ ৫০ টকা হিচাবে) = ২,২৫,০০০ টকা

উৎপাদন কৰচ = ৭৯,০০০ টকা

লাভ = ১,৪৬,০০০ টকা

**মণ্ডলঃ১ - তিনিচুকিয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট। মণ্ডলঃ২- নগাঁও, মৰিগাঁও। মণ্ডলঃ৩- কামৰূপ, নলবাৰী, বৰপেটা, বঙাইগাঁও, গোৱালপাৰা, কোকৰাঝাৰ, শোনিতপুৰ, দৰং, লখিমপুৰ, ধেমাজি। মণ্ডলঃ৪- ধুবুৰী। মণ্ডলঃ৫- গোলাঘাট, কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি।**